

## মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস

মামণি ৰয়ছম গোস্বামী

শ্ৰীমতী অম্বিকা দেৱী গোস্বামী, ১৯৮০

মূল্য ঃ ২০.০০ টকা, পৃষ্ঠা ২৮৮

অসমীয়া উপন্যাসৰ ক্ষেত্ৰত নতুন বিষয়-বস্তু আৰু নতুন পটভূমিৰ অৱতাৰণা কৰাৰ প্ৰয়াসে মামণি ৰয়ছম গোস্বামীৰ এতিয়ালৈকে প্ৰকাশিত উপন্যাসসমূহক এটা অভিনৱত্ব দান কৰিছে। তেওঁৰ ইতিমধ্যে প্ৰকাশ হোৱা **নীলকণ্ঠী ব্ৰজ, চিনাবৰ সোঁত, অহিৰণ** আদি উপন্যাসসমূহত পোৱাৰ দৰে আলোচ্য, গ্ৰন্থখনত সন্নিবিষ্ট তিনিখন নাতিদীৰ্ঘ উপন্যাসতো আমি পাওঁ নতুন পটভূমিত নতুন বিষয়-বস্তুৰ আলমত উপন্যাস সৃষ্টিৰ এটি শলাগিবলগীয়া প্ৰয়াস।

এই প্ৰয়াস কিমানদূৰ কলা-সাৰ্থক হৈছে, সেয়াই আমাৰ আলোচনাৰ বিষয়।

গ্ৰন্থখনৰ প্ৰথম উপন্যাস **মামৰে ধৰা তৰোৱালৰ** বিষয়-বস্তু — শ্ৰমিকৰ ধৰ্মঘট, পটভূমি — উত্তৰ প্ৰদেশৰ ৰায়বেৰেলীৰ সাই নদীৰ পাৰৰ এখন ঠাই। উপন্যাসখনত শ্ৰমিকৰ ধৰ্মঘট এটাৰ আৰম্ভণি, সেই ধৰ্মঘটৰ বিভিন্ন প্ৰতিক্ৰিয়া আৰু তাৰ ব্যৰ্থতাই যদিও ঘাই কথা-বস্তু হিচাপে উপস্থাপন কৰা হৈছে, তাৰ লগতে আৰু এটা বিষয়েও ভাত ঠাই পাইছে ঃ হৰিজনসকলৰ প্ৰতি কৰা সামাজিক বৈষম্য আৰু অন্যায় আচৰণ। এই দ্বিতীয় বিষয়টো প্ৰথমটোৰ লগত এনেদৰে সাঙোৰা হৈছে যে অন্ততঃ বিষয়-বস্তুৰ ফালৰ পৰা, লেখিকাই আজিৰ ভাৰতীয় সমাজত সঘনে দৃষ্টি আকৰ্ষণ কৰা দুটা গুৰুত্বপূৰ্ণ সমস্যা তেওঁৰ উপন্যাসত একেলগে দাঙি ধৰাৰ কৃতিত্ব দাবী কৰিব পাৰে।

শ্ৰমিকৰ ধৰ্মঘট আজিৰ অৰ্থনৈতিক জীৱনত তেনেই পৰিচিত ঘটনা। শ্ৰীমতী গোস্বামীয়ে যি ধৰ্মঘটৰ কাহিনী লিখিছে, সেয়া ৰায়বেৰেলীৰ সাই নদীৰ ওপৰত জলবাহী নলা নিৰ্মাণৰ কামত নিযুক্ত এটা কোম্পানীৰ তলতীয়া শ্ৰমিকসকলৰ সংঘৰ দ্বাৰা সংগঠিত সীমিত পৰিসৰৰ ধৰ্মঘট ঃ শ্ৰমিকসকলৰ দাবী তেওঁলোকৰ চাকৰিৰ নিৰাপত্তা লাগে, অস্থায়ী দিন-হাজিৰা কৰা অৱস্থাৰ পৰা স্থায়ী ভিত্তিত নিযুক্তি দিব লাগে। সংঘৰ নেতাসকলে সাধাৰণ শ্ৰমিকসকলক বুজনি দিলে — তেওঁলোকৰ দাবী পূৰণ নোহোৱালৈকে তেওঁলোকে ধৰ্মঘট চলাই যাব। ধৰ্মঘট চলি থকা অৱস্থাত শ্ৰমিকসকলে যি প্ৰতিনিত পৰিব, তাৰ সন্মুখীন হ'বলৈ সংঘৰ নেতাসকলে ওচৰৰ গাঁওবোৰত থকা কৃষক সমাজৰ পৰা সহায়-সহানুভূতি বিচাৰিলে। প্ৰয়োজন হ'লে তেওঁলোকে বাৰুদেৰে সাই নদীৰ বান্ধ উৰুৱাই দিব বুলি ভাবুকি দিলে। আনহাতে কোম্পানীৰ ফালৰ পৰা চৰা দামত কৃষকৰ পৰা বস্তু কিনি সিহঁতক হাতলৈ অনাৰ চেষ্টা চলিল।

এইদৰে শ্ৰমিক-মালিকৰ যি সংঘৰ্ষ আৰম্ভ হ'ল — তাৰ ভয়াবহ পৰিণতি অনতিপলমে আৰম্ভ হ'ল। সংঘৰ সঞ্চিত ধন শেষ হৈ আহিল, নেতাসকলে আশা কৰা মতে সংঘৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ পৰাও কোনো সহায় পোৱা নগ'ল। ফলত দৈনিক শ্ৰমৰ ওপৰত বৰ্তি থকা সাধাৰণ শ্ৰমিকসকলৰ অৱস্থা মৰ্মান্তিক হ'ল। পেটৰ ভোকত হৰিজন শ্ৰমিকৰ ল'ৰা-ছোৱালীয়ে অখাদ্য খালে, কিছুমানে তেজ বমিয়াই মৰিলে ; পঙ্গু, বেমাৰী শ্ৰমিকৰ জীৱন দুৰ্বিষহ হ'ল আৰু তেওঁলোকৰ তিৰোতাই ধনৰ বিনিময়ত নিজৰ দেহা বেচিলে। এই সংকট যিমানেই গভীৰ হ'ল — প্ৰায় অনিবাৰ্যভাৱে শ্ৰমিকসকলৰ আন্দোলনতো সিমানেই ফাট মেলিলে ঃ এটা দলে বিচাৰিলে কোম্পানীৰ লগত 'আপোচ', আনটো দলে তাৰ বিৰোধিতা কৰিলে। স্থানীয় নেতাই এই সংঘৰ্ষৰ জুইত ঘিউ ঢালি থাকিল, ফলত মীমাংসাৰ পথ ৰুদ্ধ হ'ল।

এই সংঘৰ্ষৰ জুই জ্বলি থাকোঁতে সংঘৰ নেতাসকলৰ সততাৰ অভাৱ, স্বাৰ্থপৰতা আৰু বিশ্বাসঘাতকতা ক্ৰমাৎ প্ৰকট হৈ পৰিল।

মুন্সীগঞ্জৰ গাঁওবুঢ়াৰ মুখত সেয়ে এই নেতাসকলৰ বিৰুদ্ধে ধিক্কাৰ-বাণী শুনা গ'ল ঃ "তহঁতে ধৰ্মঘট কৰিছ। ল'ৰা-তিৰোতা ভোকত আছে। আমাৰ কৃষকসকলৰ খোৱা পাততো চকু দিছ। আৰু নিজে মদ খাইছ। এই মন লৈ তহঁতে কিবা মহৎ কাম কৰিব পাৰিবি নে? — তহঁত এটাৰো মনত ত্যাগৰ বীজমন্ত্ৰ নাই। কেনেকৈ কৰিবি মহৎ কাম তহঁতে?"

গতিকে যি হ'বলগা আছিল, সেয়ে হ'ল ঃ কোম্পানীয়ে শ্ৰমিকহঁতৰ দুৰ্বলতাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিলে ; স্থানীয় নেতা সময়মতে উধাও হ'ল ঃ শ্ৰমিকহঁতৰ ভয়ংকৰ বিক্ষোভৰ পৰা সাৰিবলৈ সংঘৰ নেতাসকলে পুলিচৰ ভেনত আশ্ৰয় ল'লে ; কোম্পানীয়ে নিজৰ সুবিধামতে আগবঢ়োৱা চৰ্তবোৰকে নেতাসকলে মানি ল'লে। বহুতেই কামৰ পৰা বৰ্খাস্ত হ'ল আৰু সেইসকলৰ ভিতৰত হৰিজন শ্ৰমিকবিলাকো পৰিল।

মূলমূলকৈ উপন্যাসখনত দাঙি ধৰা শ্ৰমিক-ধৰ্মঘটৰ কাহিনী এয়েই। এই কাহিনীৰ লগতে লেখিকাই হৰিজন শ্ৰেণীৰ কিছুমান কৰুণ জীৱনৰ যাতনাদায়ক ছবিও আঁকিছে। উত্তৰ প্ৰদেশৰ এখন ঠাইৰ পটভূমিত আঁকা হৰিজন শ্ৰমিকৰ এই জীৱন-চিত্ৰ অতি মৰ্মস্পৰ্শী। এফালে দাৰিদ্ৰ, আনফালে সামাজিক ঘৃণা আৰু অৱজ্ঞা ঃ গান্ধীজীৰ দেশ ভাৰতবৰ্ষত হৰিজন এতিয়াও সমাজৰ আটাইতকৈ ঘৃণিত, নিষ্পেষিত শ্ৰেণী। এই কঢ় বাস্তৱ সত্যক নিৰ্মমভাৱে উন্মুক্ত দেখুৱাইছে লেখিকা শ্ৰীমতী গোস্বামীয়ে এই উপন্যাসত। আমাৰ ধাৰণাত, শ্ৰমিক ধৰ্মঘটৰ কাহিনীতকৈ তেওঁ উপস্থাপন কৰা হৰিজন সমাজৰ জীৱন-কাহিনী বেছি জীৱন্ত, বেছি মৰ্মস্পৰ্শী হৈছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে শ্ৰমিক সংঘৰ নেতৃবৃন্দৰ প্ৰায় সকলোৰে স্বাৰ্থপৰতা আৰু বিশ্বাসঘাতকতাৰ মাজত একমাত্ৰ যশোৱন্ত নামৰ ডেকা হৰিজন নেতাজনৰ চৰিত্ৰটোহে আশাৰ ৰেঙণি। ৰুগীয়া গিৰিয়েক আৰু কেঁচুৱা সন্তানৰ বোজাৰে ভাৰাক্ৰান্ত হৰিজন তিৰোতা নাৰায়ণী এই উপন্যাসৰ আটাইতকৈ বৈচিত্ৰ্যপূৰ্ণ নাৰী চৰিত্ৰ। নাৰায়ণীৰ প্ৰতি যশোৱন্তই অনুভৱ কৰা অব্যক্ত মৰম আৰু সহানুভূতিয়ে উপন্যাসখনৰ কাহিনীত এক বিষাদৰ ছাঁ পেলাইছে। কিন্তু লেখিকাই নাৰায়ণীৰ চৰিত্ৰ অংকন কৰোঁতে ঠায়ে ঠায়ে অতিনাটকীয়তাৰ ৰহণ সানিছে, ফলত চৰিত্ৰটোৰ ক্ষেত্ৰত পূৰাপূৰি সামঞ্জস্য ৰক্ষা পৰা নাই। যিজনী তিৰোতাই অৰ্থৰ বিনিময়ত ঠাকুৰ চাহাবৰ যৌন ক্ষুধা নিবৃত্তিৰ অৰ্থে নিজৰ বিবাহিত জীৱনৰ সন্মান অকাতৰে বিসৰ্জন দিয়ে তেৱেঁই আকৌ ৰাক্ষসী মূৰ্তি ধৰি কাপেটি কোম্পানীৰ ভণ্ড চাহাবক হত্যা কৰাটো অতিনাটকীয় বুলিয়েই ক'ব লাগিব। অন্যান্য চৰিত্ৰৰ ভিতৰত, কেইটামান পাৰ্শ্ব চৰিত্ৰই আমাৰ মনত দকৈ ছাব বহুৱাই যায়, যেনে বুঢ়ী বসুমতী, শম্ভু পাছোৱান, লিচু লেডেৰা, শিবু ধাছলাৰ চৰিত্ৰ। তুলনামূলকভাৱে, শ্ৰমিক সংঘৰ সভাপতি বলবীৰ স্বামী বা 'লোকেল লীডাৰ' শাস্ত্ৰী বা কোম্পানীৰ চৌধুৰী চাহাবৰ চৰিত্ৰ সাঁচত ঢলা 'টাইপ' চৰিত্ৰ যেনহে লাগে।

মুঠৰ ওপৰত, লেখিকাই এই উপন্যাসখনত নতুন পটভূমিত নতুন বিষয়-বস্তু উপস্থাপন কৰাৰ প্ৰয়াসেৰে বিশেষকৈ হৰিজন-সমাজৰ কিছুমান জীৱন্ত চিত্ৰ আঁকাত কৃতিত্ব দেখুৱাইছে। তেওঁৰ এই কৃতিত্ব আৰু অধিক প্ৰশংসনীয় হ'লহেঁতেন যদি প্ৰকাশ-ভংগী আৰু ভাষাৰ কিছুমান ত্ৰুটিৰ পৰা উপন্যাসখন মুক্ত হ'লহেঁতেন। শ্ৰমিকৰ ধৰ্মঘটৰ কাহিনী আৰু প্ৰয়োজনীয় পৰিবেশ সৃষ্টি কৰোঁতে তেওঁ কেতিয়াবা একেবোৰ বাক-ভংগীৰ পুনৰাবৃত্তি কৰিছে। উদাহৰণ স্বৰূপে, 'আৰ্তনাদ কৰি উঠিল', 'শিয়ালমুৱা সভাপতি', 'শিয়ালমুৱা শাস্ত্ৰী', 'শিয়ালমুৱা পুলিচ' আদি শব্দৰ অনৰ্থক ব্যৱহাৰ, ইংৰাজী শব্দৰ বহুল প্ৰয়োগেৰে সৃষ্টি কৰা আচহুৱা বাক্য (যেনে, "ৰায়বেৰেলী জিলাৰ ডানকান কনষ্ট্ৰাক্চন কোম্পানীৰ হৈ সাই একুৱেডাকটত কাম কৰা ষ্টাফ আৰু শ্ৰমিকসকলে ১৯৭৬ চনৰ এপ্ৰিল মাহৰপৰা ছিকিউৰিটি আৰু ছাৰ্ভিচৰ বাবে যুদ্ধ কৰি আহিছে।" — পৃঃ ৩৭। নাইবা, "১৯৪৭ চনৰ 'ইণ্ডাষ্ট্ৰিয়েল ডিচপিউট এক্ট' মতে কোম্পানীৰ হাতত কাম নেথাকিলে আৰু ইউনিয়নৰ সৈতে কোনো এগ্ৰিমেণ্ট নেথাকিলে ছিনিয়ৰিটিৰ বেচিছত ৰিট্ৰেঞ্চ কৰা হ'ব।" — পৃঃ ৬৩, ইত্যাদি)। বাস্তৱধৰ্মিতাৰ খাতিৰত হিন্দী শব্দৰ ব্যৱহাৰ কৰাহেঁতেন আমাৰ ক'বলগা একো নেথাকিলেহেঁতেন। কিন্তু মধে-মধে ইংৰাজী শব্দৰ প্ৰয়োগ কৰি কিছুমান আচহুৱা বাক্য সৃষ্টি কৰাটোৱে উপন্যাসখনৰ ৰচনাশৈলীৰ সৌন্দৰ্য হানি কৰিছে বুলি আমি ভাবোঁ।

তুলনামূলক বিচাৰত, আলোচ্য গ্ৰন্থত সন্নিবিষ্ট লেখিকাৰ দ্বিতীয়খন উপন্যাসৰ কাহিনী উপস্থাপন অধিক উন্নত আৰু সুবিন্যস্ত হৈছে বুলি ক'ব পাৰি। এই দ্বিতীয়খন উপন্যাস — **নাঙঠ চহৰৰ** কথা-বস্তুৰ পটভূমি দিল্লী মহানগৰী। প্ৰথমখন উপন্যাসৰ দৰে, এইখন উপন্যাসতো লেখিকাৰ ব্যক্তিগত অভিজ্ঞতা আৰু পটভূমিৰ লগত থকা ঘনিষ্ঠ পৰিচয়ে নিশ্চয় তেওঁক ৰচনা কাৰ্যত যথেষ্ট সহায় কৰিছে। এইখন উপন্যাসৰ বিষয়-বস্তু, লেখিকাৰ নিজৰ ভাষাৰে, "দিল্লী মহানগৰৰ ৰুক্ষ কৰ্কশ বাস্তৱতাৰ মাজত হেৰাই যোৱা মানৱীয়তাৰ এক চাক্ষুষ অভিজ্ঞতা।" নাতি-দীৰ্ঘ উপন্যাসখনত এই 'অভিজ্ঞতা' উপস্থাপন কৰা হৈছে উপন্যাসখনৰ নায়িকা তথা প্ৰবক্তা উৰ্মিলাৰ মাধ্যমেৰে।

শিক্ষক পিতৃৰ আদৰ্শবাদিনী জীয়েক উৰ্মিলাই ওখলাৰ গ্ৰামত (অৰ্থাৎ, বস্তি অঞ্চলত) বান্ধৱী কৃষ্ণাৰ লগত কিবা কাম কৰিবলৈ যাওঁতে এখন 'ঢাবা'ত লগ পোৱা হৰিজন তিৰোতাৰ ল'ৰা এজনক লিখা-পঢ়া শিকাই মানুহ কৰাৰ উদ্দেশ্যৰে তুলি ল'লে। ইয়াৰ পাছত জগন্নাথ নামৰ সেই হৰিজন ল'ৰাটোক উৰ্মিলাই গৃহ-শিক্ষকৰ সহায়েৰে আৰু নিজেও পঢ়ুৱাবলৈ আৰম্ভ কৰিলে। উৰ্মিলাৰ আশা — তেওঁৰ অকলশৰীয়া, বিধ্বস্ত জীৱনত জগন্নাথে এক নতুন সাৰ্থকতা আনি দিব, কিয়নো ইতিমধ্যে আমাক জানিবলৈ দিয়া হৈছে যে তেওঁৰ বিবাহিত জীৱন খান-খান কৰি তেওঁৰ অধ্যাপক গিৰিয়েকে উচ্চ শিক্ষাৰ বাবে বিদেশলৈ গৈ আৰু উভতি অহা নাছিল। ভায়েক-ভনীয়েকহঁতৰ পৰাও তেওঁ বাঞ্ছিত সহানুভূতি নাপাই পঢ়া-শুনা কৰি দিল্লী বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগত অধ্যাপনা কৰিবলৈ লয়। এই দিল্লী বিশ্ববিদ্যালয়তে তেওঁ লগ পালে অঙ্কৰ গৱেষক যশোৱন্তক আৰু এটা সময়ত যশোৱন্তৰ মাজতে তেওঁ বিচাৰিলে তেওঁৰ প্ৰিয়তম পুৰুষজনক। কিন্তু যশোৱন্তই যেতিয়া তেওঁলোকৰ সম্পৰ্কৰ বান্ধোন সুদৃঢ় কৰিবলৈ 'প্ৰেম' বিচাৰিলে — উৰ্মিলাৰ স্বপ্ন ভংগ হ'ল। এনে এটা মুহূৰ্তত জগন্নাথ নামৰ তোলনীয়া ল'ৰাটোৱেই তেওঁৰ বৰ আপোন যেন লাগিল — মাতৃৰ মৰমেৰে যিজন ল'ৰাই তেওঁক সান্ত্বনা যোগাব। যশোৱন্তৰ উপৰি উৰ্মিলাৰ নিবিড় সান্নিধ্য বিচৰা আৰু দুজন পুৰুষ হ'ল — সাংবাদিক ৰূপচন্দ্ৰ আৰু অধ্যাপক ঠাকুৰ। কিন্তু তেওঁলোকৰ লুভীয়া দৃষ্টিয়ে উৰ্মিলাক সোঁৱৰাই দিলে "যেন দুটা শগুণ তাইৰ সন্মুখত বহি আছে...", আনকি দিল্লী মহানগৰৰ উন্মুক্ত বাটত লিফ্‌ট্ ল'ব খোজোঁতেও উৰ্মিলাই দেখা পালে মানুহৰ সেই পাশৱিক সত্তাকে। অৱশেষত — মহানগৰৰ ব্যক্তিকেন্দ্ৰিক, স্বাৰ্থপৰ, পাশৱিক জীৱনৰ চৰম অভিজ্ঞতা উৰ্মিলাই লাভ কৰিলে সেইদিনা, যিদিনা তেওঁৰ আদৰ্শবাদী সপোন ধূলিস্যাৎ কৰি হৰিজন ল'ৰা জগন্নাথে তেওঁক জুগুপ্সি জুপুৰিত বাস কৰা বেয়া তিৰোতাবোৰৰ শাৰীলৈ নমাই আনি তেওঁৰ স্ফূৰ্তিৰ বাবে যশোৱন্ত চাহাবক তেওঁৰ ঘৰলৈ লৈ আহিল আৰু নিজে পহৰা দিয়াৰ দায়িত্ব ল'লে। — এয়েই 'নাঙঠ চহৰ' দিল্লীৰ কাহিনী — য'ত চিমেণ্ট কংক্ৰীটৰ চেপাত মানুহৰ আত্মাৰ অপমৃত্যু ঘটিছে। এই কাহিনীৰ আটাইতকৈ আকৰ্ষণীয় দিশ হ'ল — আধুনিক নগৰীয়া জীৱনৰ আত্মকেন্দ্ৰিকতা আৰু কলুষতাৰ মাজত লেখিকাই ফুটাই তোলা নিঃসংগতাৰ উপলব্ধি। এই উপলব্ধি যদিও সাধাৰণভাৱে সকলো মহানগৰৰ ক্ষেত্ৰত প্ৰযোজ্য, তথাপি লেখিকাই উৰ্মিলাৰ দৃষ্টিৰে দিল্লী মহানগৰৰ এটা নিজা চৰিত্ৰও আঁকিবলৈ যত্ন কৰিছে ঃ সেই চৰিত্ৰ এসময়ত আভিজাত্য হেৰুৱা বৰ্তমানৰ 'লেণ্ডুৱেজ লেছ' চহৰ দিল্লীৰ, য'ত ৰাজনীতিৰ দুৰ্গন্ধৰ মাজত নিঃশেষ হৈ গৈছে আতৰৰ সুগন্ধ, যিখন মহানগৰৰ বাট-পথত নাৰীয়ে নিৰাপদ অনুভৱ কৰিব নোৱাৰে।

চৰিত্ৰ-চিত্ৰণৰ ফালৰ পৰা, উপন্যাসখনৰ আটাইতকৈ আকৰ্ষণীয়